**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-02-2023
**Time :** 1910 Hrs

***Assamese Evening Bulletin***

## <u>HEADLINES</u>

১।　আদানী গোট সন্দৰ্ভত হিণ্ডেনবাৰ্গ ৰিচাৰ্ছ নামৰ বিনিয়োগ গৱেষণা প্ৰতিষ্ঠানৰ প্ৰতিবেদন আৰু অন্যান্য বিষয় লৈ বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে আজি সংসদৰ উভয় সদনৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ৰখা হয়।

২।　কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে জি-টুৱেণ্টি সদস্য ৰাষ্ট্ৰৰ প্ৰতিনিধি বৰ্গক বহনক্ষম জীৱন শৈলীক গণ আন্দোলনৰ ৰূপ দিয়াৰ বাবে যৌথভাৱে কাম কৰিবলৈ আহ্বান জনাইছে।

৩।　চৰকাৰে কৈছে যে দেশৰ ১১ কোটি ৫ লাখৰো অধিক গ্ৰাম্য গৃহত নলযোগে পানী যোগান ধৰা হৈছে।

৪।　চৰকাৰে ২০ ফেব্ৰুৱাৰীৰ ভিতৰত প্ৰতিৰক্ষা বিভাগৰ পেঞ্চন লাভ কৰা লোকসকলক বছৰেকীয়া চিনাক্তকৰণ সম্পূৰ্ণ কৰিবলৈ আহ্বান জনাইছে।

*আৰু*

৫।　কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ বাবে বাজেট আবণ্টন ২০২২-২৩ বিত্তীয় বৰ্ষৰ তুলনাত এই বছৰ ১১ শতাংশ বৃদ্ধি কৰা হৈছে।

০০০০০০

আদানী গোট সন্দৰ্ভত হিণ্ডেনবাৰ্গ ৰিচাৰ্ছ নামৰ বিনিয়োগ গৱেষণা প্ৰতিষ্ঠানৰ প্ৰতিবেদন আৰু অন্যান্য বিষয় লৈ বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে আজি সংসদৰ উভয় সদনৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ৰখা হয়।

প্ৰথমবাৰ সদন স্থগিত ৰখাৰ পাছত বিয়লি ২ বজাত লোকসভা পুনৰ মিলিত হোৱাৰ সময়ত কংগ্ৰেছ, ডি এম কে, টি এম চিকে ধৰি বিৰোধী পক্ষৰ সদস্যসকলে সদনৰ মজিয়ালৈ উঠি যায় আৰু বিষয়টোৰ তদন্তৰ দাবী জনায়। সমাজবাদী পাৰ্টি, বি এছ পি, শিৱসেনা আৰু অন্যান্য দলৰ সদস্যসকলেও বিষয়টোৰ তদন্তৰ দাবী কৰে। হুলস্থুলীয়া পৰিবেশৰ মাজতে সংসদীয় পৰিক্ৰমা মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে প্ৰতিবাদকাৰী সদস্যসকলক সংসদৰ দুয়োখন সদনৰ যুটীয়া অধিবেশনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ ভাষণ সন্দৰ্ভত আলোচনা অব্যাহত ৰাখিবলৈ আহ্বান জনায়।

ৰাজ্যসভাতো বিয়লি ২ বজাত সদন পুনৰ মিলিত হোৱাৰ সময়ত  একেধৰণৰ পৰিস্থিতি উদ্ভৱ হয়। কংগ্ৰেছ, টি এম ছি, ডি এম কে, আপ, সমাজবাদী পাৰ্টি, বাওঁ আৰু অন্যান্য বিৰোধী পক্ষৰ সদস্যসকলে বিষয়টো সন্দৰ্ভত শ্লোগান দিবলৈ আৰম্ভ কৰে। হুলস্থুলীয়া পৰিবেশ অব্যাহত থকাৰ বাবে সভাপতি জগদ্বীপ ধনখড়ে সদনৰ কাৰ্যসূচী দিনটোৰ বাবে স্থগিত ৰাখে।

ইয়াৰ পূৰ্বে পুৰা সদন মিলিত হোৱাৰ সময়ত বিৰোধী পক্ষৰ কেইবাগৰাকীও সাংসদে ভাৰতীয় জীৱন বীমা নিগম- এল আই চি, ৰাজহুৱা খণ্ডৰ একাধিক বেংক আৰু বিত্তীয় প্ৰতিষ্ঠানে বজাৰ মূল্যৰ হেৰুওৱা বিভিন্ন কোম্পানীত বিনিয়োগৰ বিষয়টো লৈ আলোচনা কৰাৰ বাবে সভা স্থগিত প্ৰস্তাৱৰ জাননী দিছিল যদিও সভাপতি জগদীপ ধনখড়ে যথোচিত প্ৰক্ৰিয়াৰে উত্থাপন নকৰাৰ বাবে এই জাননী খাৰিজ কৰে। ইয়াৰ প্ৰতিবাদত কংগ্ৰেছ, ডি এম কে, টি এম চি, আম আদমী পাৰ্টি, সমাজবাদী পাৰ্টী, বাওঁ দল আৰু বিৰোধী পক্ষৰ অন্য দলৰ সদস্যসকলে সদনত হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰে। সভাপতিয়ে সদস্যসকলক শৃংখলা বৰ্তাই ৰখাৰ বাবে আহ্বান জনায় যদিও পৰিস্থিতি উন্নত নোহোৱাত সদনৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰখা হয়।

oooooooo

কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল, জলপথ আৰু আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে জি-টুৱেণ্টি সদস্য ৰাষ্ট্ৰৰ প্ৰতিনিধি বৰ্গক বহনক্ষম জীৱন শৈলীক গণ আন্দোলনৰ ৰূপ দিয়াৰ বাবে যৌথভাৱে কাম কৰিবলৈ আহ্বান জনাইছে। ভাৰতৰ জি-টুৱেণ্টিৰ অধ্যক্ষতাৰ অংশ হিচাপে আজি গুৱাহাটীত আয়োজিত বহনক্ষম বিত্ত কাৰ্যগোটৰ প্ৰথমখন সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে এইদৰে আহ্বান জনায়। তেওঁ কয় যে বিশ্বই পৰিস্কাৰ আৰু সেউজ সমাজৰ হকে কাম কৰা উচিত। তেওঁ লগতে কাৰ্বন নিৰ্গমনৰ পৰিমাণ কম কৰাৰ বাবে সকলোৰে প্ৰতি  আহ্বান জনায়। ভাৰতে ৰাষ্ট্ৰীয় বিকাশৰ হকে বহনক্ষম উন্নয়নৰ প্ৰক্ৰিয়া আকোৱালি লৈছে বুলি শ্ৰী সোণোৱালে প্ৰকাশ কৰে।

সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে কয় যে বিশ্বক দেশৰ চহকী ঐতিহ্যৰ সৈতে পৰিচয় কৰি দিয়াৰ বাবে জি-টুৱেণ্টি ৰাষ্ট্ৰগোষ্ঠীৰ অধ্যক্ষতা আমাৰ বাবে গৌৰৱৰ বিষয়। তেওঁ কয় যে জলবায়ু পৰিৱৰ্তনে মানৱ জাতিৰ বাবে জটিল পৰিস্থিতিৰ সৃষ্টি কৰিছে আৰু এই আলাপ আলোচনাৰ জৰিয়তে নিশ্চিতভাৱে জলবায়ু পৰিৱৰ্তন সমস্যা সমাধানৰ পথৰ অন্বেষণ কৰিব পৰা যাব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে এই দুদিনীয়া বৈঠকত জলবায়ু পৰিৱৰ্তনৰ সমস্যাৰ সন্মুখীন হোৱা ক্ষেত্ৰত দেখা দিয়া বিত্তীয় জটিলতা চিনাক্ত কৰা আৰু বিশ্বৰ জনসাধাৰণৰ কল্যাণৰ বাবে সমবিকাশ সুনিশ্চিত কৰাৰ বাবে প্ৰয়াস চলোৱা হ'ব। বৈঠকত এই মহান কাৰ্যৰ বাবে ধন সংগ্ৰহৰ স্থায়ী উৎসৰ বিশদ পৰিকল্পনা যুগুতাই উলিওৱা হ'ব বুলিও শ্ৰী সোণোৱালে প্ৰকাশ কৰে। জি-টুৱেণ্টি ৰাষ্ট্ৰগোষ্ঠীৰ সদস্য দেশ, অতিথি ৰাষ্ট্ৰ আৰু বিভিন্ন আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ শতাধিক প্ৰতিনিধিয়ে বৈঠকত অংশগ্ৰহণ কৰিছে। দুদিনীয়া কাৰ্যসূচীৰে আয়োজিত এই বৈঠকৰ চাৰিটা সত্ৰত জলবায়ু পৰিৱৰ্তনৰ সমস্যাৰ সন্মুখীন হোৱাৰ বাবে সময়মতে পৰ্যাপ্ত উৎস, বহনক্ষম উন্নয়নৰ বাবে পুঁজি সংগ্ৰহ আৰু বহনক্ষম উন্নয়নৰ সমগ্ৰ তন্ত্ৰৰ বাবে সামৰ্থ্য বৃদ্ধি আদি বিষয় লৈ আলোচনা কৰা হ'ব।

এই দুদিনীয়া বৈঠকৰ সময়ত যোগ-সত্ৰসহ অসমৰ চহকী ঐতিহ্য আৰু পৰম্পৰাৰ সৈতে পৰিচয় কৰাই দিয়াৰ উদ্দেশ্যে প্ৰতিনিধি বৰ্গক সাংস্কৃতিক অনুষ্ঠানলৈ আমন্ত্ৰণ জনোৱা হৈছে।

oooooooo

চৰকাৰে কৈছে যে দেশৰ ১১ কোটি ৫ লাখৰো অধিক গ্ৰাম্য গৃহত নলযোগে পানী যোগান ধৰা হৈছে। জল শক্তি মন্ত্ৰালয়ৰ ৰাজ্যমন্ত্ৰী প্ৰহ্লাদ সিং পেটেলে কয় যে চৰকাৰে ২০২৪ চনৰ ভিতৰত গ্ৰামাঞ্চলৰ প্ৰতিটো গৃহলৈ নলযোগে পানী সংযোগ প্ৰদান কৰাৰ লক্ষ্যৰে জলজীৱন অভিযান ৰূপায়ণ কৰিছে। শ্ৰীপেটেলে আজি লোকসভাত এটা প্ৰশ্নৰ লিখিত উত্তৰত এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে জলজীৱন অভিযান ঘোষণা কৰাৰ

সময়ত দেশত তিনি কোটি ২৩ লাখ গ্ৰাম্য গৃহত নলযোগে পানী সংযোগ আছিল। শ্ৰীপেটেলে লগতে কয় যে এই আঁচনিৰ অধীনত বৰ্তমানলৈকে ৭ কোটি ৮১ লাখৰো অধিক গ্ৰামাঞ্চলৰ গৃহত অতিৰিক্ত পানী সংযোগ প্ৰদান কৰা হৈছে।

০০০০০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ বাবে বাজেট আবণ্টন ২০২২-২৩ বিত্তীয় বৰ্ষৰ তুলনাত এই বছৰ ১১ শতাংশ বৃদ্ধি কৰা হৈছে। মন্ত্ৰালয়ে কয় যে ২০১০ চনত ভাৰতত কমনৱেলথ গেমছ্ অনুষ্ঠিত হোৱাৰ পাছত এয়া হৈছে মন্ত্ৰালয়টোৰ বাবে এতিয়ালৈ সৰ্বাধিক বাজেট আবণ্টন। কেন্দ্ৰীয় বাজেটত ক্ৰীড়া আৰু যুৱচামক অগ্ৰাধিকাৰ দিয়াৰ বাবে যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া দপ্তৰৰ মন্ত্ৰী অনুৰাগ সিং ঠাকুৰে বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণক কৃতজ্ঞতা প্ৰকাশ কৰিছে। তেওঁ কয় যে, দেশৰ বৰ্তমানৰ ক্ৰীড়া পৰিবেশতন্ত্ৰক সম্পূৰ্ণৰূপে নতুন ৰূপ দিয়াৰ প্ৰয়োজনীয়তাক স্বীকাৰ কৰি তৃণমূল পৰ্যায়ত প্ৰতিভা চিনাক্তকৰণ, আন্তঃগাঁথনি নিৰ্মাণ আৰু সামগ্ৰিক ক্ৰীড়া সংস্কৃতি গঢ়ি তোলাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে অধিক মনোযোগ দিছে।

০০০০০০০০

চৰকাৰে পেঞ্চন প্ৰশাসন পদ্ধতি **ৰক্ষা** বা **স্পৰ্শ**ৰ জৰিয়তে পেঞ্চন গ্ৰহণ কৰা প্ৰতিৰক্ষা বিভাগৰ সকলো পেঞ্চন লাভ কৰা লোকক অহা ২০ ফেব্ৰুৱাৰীৰ ভিতৰত বছৰেকীয়া চিনাক্তকৰণ সম্পূৰ্ণ কৰিবলৈ আহ্বান জনাইছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে কৈছে যে মাহিলি পেঞ্চন সময়মতে পোৱাৰ বাবে বছৰেকীয়া চিনাক্তকৰণ সম্পূৰ্ণ কৰা অথবা জীয়াই থকাৰ প্ৰমাণপত্ৰ হৈছে এটা বিধিসন্মত প্ৰয়োজনীয়তা। স্পৰ্শ হৈছে কোনো মধ্যস্থতাকাৰী অবিহনে প্ৰতিৰক্ষা পেঞ্চন লাভ কৰা লোকসকলৰ বেংক একাউণ্টত পোনপটীয়াকৈ পেঞ্চন প্ৰদান কৰাৰ বাবে এটা ৱেব আধাৰিত পদ্ধতি। প্ৰতিৰক্ষা মন্ত্ৰালয়ে পেঞ্চন তথা সেনাবাহিনীৰ অন্যান্য প্ৰয়োজনসমূহৰ অনুমোদন আৰু বিতৰণৰ বাবে এই ৱেব আধাৰিত পদ্ধতি ৰূপায়ণ কৰিছে।

০০০০০০০০

অসামৰিক বিমান পৰিবহন মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই আজি ৰাজস্থানৰ জয়পুৰ আৰু যোধপুৰ সংযোগী বিমান এখন ভাৰ্চুৱেল মাধ্যমেৰে মুকলি কৰে। ৰাজস্থানৰ দুখন গুৰুত্বপূৰ্ণ চহৰৰ মাজত চলিবলগীয়া ইণ্ডিগ'ৰ বিমানখন সপ্তাহত চাৰিদিনকৈ চলিব। উদ্বোধনী অনুষ্ঠানত মন্ত্ৰী সিন্ধিয়াই কয় যে দেশৰ দুখন গুৰুত্বপূৰ্ণ চহৰৰ মাজত বিমানসেৱা আৰম্ভ হৈছে। তেওঁ কয় যে অসামৰিক বিমানৰ ঘৰুৱা যাতায়াতৰ ক্ষেত্ৰত ভাৰত বিশ্বৰ ভিতৰতে তৃতীয় স্থানত আৰু সংযুক্ত আন্তঃৰাষ্ট্ৰীয় আৰু ঘৰুৱা যাতায়াতৰ ক্ষেত্ৰত দেশখন বিশ্বৰ সপ্তম স্থানত আছে।

ৰাজস্থানত বিমান যাত্ৰাৰ উন্নত আন্তঃগাঁথনিৰ বিষয়ে শ্ৰীসিন্ধিয়াই কয় যে যোধপুৰত বৰ্ধিত বিমানযাত্ৰীৰ প্ৰতি লক্ষ্য ৰাখি তাত এটা নতুন ভৱন নিৰ্মাণৰ কামো শীঘ্ৰেই আৰম্ভ কৰা হব। তেওঁ কয় যে ৫০০ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া টাৰ্মিনেল ভৱনটোত এহেজাৰ যাত্ৰী বহিব পৰা ব্যৱস্থা থাকিব। ইয়াৰ দ্বাৰা পৰ্যটন আৰু স্থানীয় অৰ্থনীতি লাভদায়ক হ'ব।

০০০০০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ বাবে বাজেট আবণ্টন ২০২২-২৩ বিত্তীয় বৰ্ষৰ তুলনাত এই বছৰ ১১ শতাংশ বৃদ্ধি কৰা হৈছে। মন্ত্ৰালয়ে কয় যে ২০১০ চনত ভাৰতত কমনৱেলথ গেমছ্ অনুষ্ঠিত হোৱাৰ

পাছত এয়া হৈছে মন্ত্ৰালয়টোৰ বাবে এতিয়ালৈ সৰ্বাধিক বাজেট আবণ্টন। কেন্দ্ৰীয় বাজেটত ক্ৰীড়া আৰু যুৱচামক অগ্ৰাধিকাৰ দিয়াৰ বাবে যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া দপ্তৰৰ মন্ত্ৰী অনুৰাগ সিং ঠাকুৰে বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণক কৃতজ্ঞতা প্ৰকাশ কৰিছে। তেওঁ কয় যে, দেশৰ বৰ্তমানৰ ক্ৰীড়া পৰিৱেশতন্ত্ৰক সম্পূৰ্ণৰূপে নতুন ৰূপ দিয়াৰ প্ৰয়োজনীয়তাক স্বীকাৰ কৰি তৃণমূল পৰ্যায়ত প্ৰতিভা চিনাক্তকৰণ, আন্তঃগাঁথনি নিৰ্মাণ আৰু সামগ্ৰিক ক্ৰীড়া সংস্কৃতি গঢ়ি তোলাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে অধিক মনোযোগ দিছে।

০০০০০০০০

জন্মু আৰু কাশ্মীৰত যোৱা ২১ জানুৱাৰীত জন্মুৰ নৰৱাল অঞ্চলত সংঘটিত এটা বিস্ফোৰণৰ ঘটনা সন্দৰ্ভত আৰক্ষীয়ে আজি লস্কৰ-ই-তৈবাৰ এজন সন্ত্ৰাসবাদীক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে সন্ত্ৰাসবাদীটোৰ পৰা এটা **পাৰফিউম আই ই ডি** উদ্ধাৰ কৰে। জন্মুত এখন সংবাদমেল সম্বোধন কৰি আৰক্ষী সঞ্চালকপ্ৰধান দিলবাগ সিঙে কয় যে জন্মু আৰক্ষীয়ে ১১ দিনৰ কঠোৰ পৰিশ্ৰমৰ অন্তত ৰিয়েছি জিলাৰ নিবাসী আৰিফ আহমেদ নামৰ লোকজনক গ্ৰেপ্তাৰ কৰি বৃহৎ সফলতা লাভ কৰিছে। আৰিফ আহমেদ এগৰাকী চৰকাৰী চাকৰিয়াল হোৱাৰ লগতে দীৰ্ঘদিন ধৰি লস্কৰ-ই-তৈবাৰ সক্ৰিয় সদস্য হিচাপে আছিল। শ্ৰীসিঙে লগতে কয় যে জন্মুৰ শাস্ত্ৰী নগৰ, কাটৰা আৰু ২১ জানুৱাৰীত নৰৱালত সংঘটিত তিনিওটা আই-ই-ডি বিস্ফোৰণৰ ঘটনাত আৰিফ আহমেদ জৰিত আছিল। বিষয়টো সন্দৰ্ভত তদন্ত অব্যাহত আছে বুলিও তেওঁ জানিবলৈ দিয়ে।

০০০০০০০০

বৈদেশিক পৰিক্ৰমা বিভাগৰ ৰাজ্যমন্ত্ৰী ভি মুৰুলীধৰণে কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে শ্ৰীলংকালৈ যাব। তেওঁ দ্বীপ ৰাষ্ট্ৰখনৰ স্বাধীনতা দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই ভ্ৰমণকালত কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰীগৰাকীয়ে শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি আৰু বিদেশমন্ত্ৰীৰ সৈতে পৃথক দ্বি-পাক্ষিক আলোচনাত মিলিত হব। তেওঁ লগতে বিশিষ্ট প্ৰবাসী ভাৰতীয় সদস্যসকলৰ সৈতেও বাৰ্তালাপ কৰিব।

০০০০০০০০